www.newsnextone.com
e সংবাদ

Sacn to Donate
NEWSNEXTONE.COM

MONDAY, SEPTEMBER 23, 2024 ■ সোমবাৰ।। ৬ আহিন, ১৯৪৬ শকাব্দ www.newsnextone.comৰ অনলাইন দৈনিক ■ প্ৰথম বছৰ, সংখ্যা ২৬১ Guwahati, Assam ।। মূল্যঃ এটকা

## গৰমত ৰাজ্যত প্ৰাণ গ'ল দুজনৰ

**ই-সংবাদ, ২২ ছেপ্টেম্বৰঃ** সমগ্ৰ ৰাজ্যবাসীক দহি নিছে উৎকট গৰমে। ৪০ ডিগ্ৰী চেলছিয়াছ ৩ পৃষ্ঠাত চাওক

# নিযুক্তি পৰীক্ষাৰ আসোঁৱাহৰ কথা অৱশেষত স্বীকাৰ মুখ্যমন্ত্ৰীৰ

### অএমআৰ শ্বীটৰ ৫০টকাৰ অংকক লৈ সৰৱ কৃষক মুক্তি



**ই-সংবাদ, ২২ ছেপ্টেম্বৰঃ** অৱশেষত আওপকীয়াকৈ হ'লেও ফেচবুক লাইভযোগে নিযুক্তি পৰীক্ষাত আঁসোৱাহ থকাৰ কথা স্বীকাৰ কৰিবলৈ বাধ্য হ'ল মুখ্যমন্ত্ৰী ডঃ হিমন্ত বিশ্ব শৰ্মা। সকলো কথাতে মূৰ সোমোৱাই সঘন সিদ্ধান্ত সলনিৰে ৰাজ্যৰ প্ৰশাসনিক ব্যৱস্থাক অস্থিৰ কৰি তোলা মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই এইবাৰ পৰীক্ষাৰ্থীকসকলক এক প্ৰকাৰ ভাবুকি শেষাংশ ৪ পৃষ্ঠাত

### সৰ্বা আকৌ সভাপতি

# অলিম্পিক সন্থাত কেৱল ৰাজনীতি




**ই-সংবাদ, ২২ ছেপ্টেম্বৰঃ** ডিব্ৰুগড়ত আজি অসম অলিম্পিক সন্থাৰ পূৰ্ণাংগ কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হয়। কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ নেতৃত্বত জালান আউটডড'ৰ ষ্টেডিয়ামৰ শেষাংশ ৪ পৃষ্ঠাত

# চিবিআইৰ নিৰ্দেশত থৰহৰি কম্পমান অসম আৰক্ষীৰ ভিতৰচ'ৰা

## জোনমণিৰ মৃত্যু ৰহস্যৰ আঁৰত এছপি লীনা দলে, ৰূপ!





**ই-সংবাদ, ২২ ছেপ্টেম্বৰঃ** যি আৰক্ষীয়ে ৰাইজক ন্যায় প্ৰদান কৰিবৰ বাবে হাতত ক্ষমতা লাভ কৰিছে সেই আৰক্ষীয়ে নিজৰ ক্ষমতাৰে সহকৰ্মী আৰক্ষীক হত্যা কৰাৰ অভিযোগত সাঙোৰ খাই পৰিবলগাৰ দৰে দুৰ্ভাগ্যজনক ঘটনা ঘটিছে অসমত। বহু চৰ্চিত জোনমণি ৰাভাৰ মৃত্যুৰ ঘটনাৰ লগত এইবাৰ আৰক্ষী বিষয়া জড়িত হৈ থকাৰ বিষয়টো খোদ দেশৰ তদন্তকাৰী সংস্থা চিবিআইয়ে নিজৰ প্ৰতিবেদনত উল্লেখ কৰিলে। সংবাদ মাধ্যমত প্ৰকাশিত বাতৰি অনুসৰি শেষাংশ ২ পৃষ্ঠাত

# এম্বুলেন্স ৰখাই জ্যেষ্ঠ চিকিৎসকে চলালে তাণ্ডৱ

**ই-সংবাদ, যোৰহাট, ২২ ছেপ্টেম্বৰঃ** যোৰহাটৰ এগৰাকী চিকিৎসকৰ কাণ্ডই হতভম্ব কৰিছে নাগৰিক সমাজক। নিজেই চিকিৎসক হৈয়ো ৰোগী শেষাংশ ৩ পৃষ্ঠাত

### হিমন্তক কটাক্ষ ৰকিব

# বৃদ্ধ কালত ওলাইছে চুলি!

**ই-সংবাদ, ২২ ছেপ্টেম্বৰঃ** আজি আকৌ এবাৰ মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাক আক্ৰমণৰ লক্ষ্য কৰি লৈছে ধুবুৰীৰ সাংসদ তথা জ্যেষ্ঠ কংগ্ৰেছ শেষাংশ ৩ পৃষ্ঠাত

# কিমাশ্চৰ্যম! লাভলীনা-হিমাৰ ৰাজ্যত মহিলা শূন্য অলিম্পিক সমিতি





**ই-সংবাদ, ২২ ছেপ্টেম্বৰঃ** দেশৰ ক্ৰীড়া সংগঠনসমূহত এতিয়া কেৱল ৰাজনীতিকৰ ভিৰ। আন আন ক্ষেত্ৰৰ দৰে ৰাজনৈতিক নেতাই ক্ৰীড়া সংগঠনসমূহতো চলাব খোজে নিজৰ আধিপত্য। ব্যতিক্ৰম নহয় অসমো। সেই তাহানিৰে পৰা ৰাজনীতিবিদে ক্ৰীড়া সন্থাসমূহৰ সকলো পদেই নিজৰ হাতৰ শেষাংশ ৩ পৃষ্ঠাত

# ইৰাণত কয়লা খনিত বিস্ফোৰণ, ৫১ জন নিহত

**তেহৰাণ, ২২ ছেপ্টেম্বৰঃ** ইৰাণৰ এটা কয়লা খনিত দেওবাৰে সংঘটিত হোৱা গেছ বিস্ফোৰণৰ ফলত অতি কমেও ৫১ জন লোক নিহত হৈছে। এই ঘটনাত আহত হৈছে অতি শেষাংশ ৩ পৃষ্ঠাত

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# চিবিআইৰ নিৰ্দেশত থৰহৰি

এই ঘটনাৰ লগত স্বয়ং বহু বিতৰ্কিত সেই সময়ৰ নগাঁৱৰ আৰক্ষী অধীক্ষক লীনা দলে আৰু অতিৰিক্ত আৰক্ষী অধীক্ষক ৰূপজ্যোতি কলিতাৰ নাম জড়িত হৈ পৰিছে। স্বাভাৱিকতে প্ৰশ্ন হয় শীৰ্ষ এই আৰক্ষী বিষয়া দুগৰাকীৰ নাম এগৰাকী মহিলা কনিষ্ঠ আৰক্ষী বিষয়াৰ মৃত্যুৰ লগত জড়িত হ'ল কেনেকৈ? এই ঘটনাত ৰাজনীতি আৰু বৃহৎ অৰ্থনৈতিক লেন-দেনৰো অভিযোগ উঠিছিল। কনিষ্ঠ আৰক্ষী বিষয়া জোনমণি ৰাভাৰ স্বয়ং মাতৃয়ে তেওঁৰ কন্যাক হত্যা কৰা বুলি বাৰে বাৰে অভিযোগ কৰি ন্যায় প্ৰদানৰ বাবে ৰাইজৰ ওচৰত আবেদন জনাইছিল। ৰহস্যজনকভাৱে জোনমণি ৰাভাৰ মৃত্যুৰ প্ৰসংগতো মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই সম্পূৰ্ণৰূপে এৰাই চলিছে। আনটো বাদেই তেওঁৰ বিভাগৰ এগৰাকী মহিলা আৰক্ষী বিষয়াৰ ৰহস্যজনক মৃত্যুৰ পিছত একপ্ৰকাৰ নিস্বঃ হৈ পৰা পৰিয়ালটোৰ খবৰ ল'বলৈয়ো মুখ্যমন্ত্ৰীগৰাকী যোৱা নাছিল। সেইসময়তে বহুতে প্ৰশ্ন কৰিছে যে এই সমগ্ৰ ঘটনাটো ৰাজনৈতিক আৰু ইয়াৰ সৈতে ছিণ্ডিকেট চক্ৰ জড়িত হৈ আছে। ছিণ্ডিকেট চক্ৰ মানেই কেইবাজনো মন্ত্ৰীৰ নাম সাঙোৰ খাই পৰে। ৰাজনৈতিক শক্তিশালী চক্ৰটোক ৰক্ষণাবেক্ষণ দিবৰ বাবে চিবিআইয়ে আৰক্ষী বিষয়াসকলকহে তদন্তৰ আওতালৈ আনিছে নেকি বুলিও কিছু প্ৰশ্ন ৰৈ যায়। ইফালে, চিবিআইয়ে কেবাগৰাকী আৰক্ষী বিষয়া তথা কনিষ্টবলৰ বিৰুদ্ধে বিভাগীয় তদন্তৰ নিৰ্দেশ দিয়াৰ পিছতে জোনমণি ৰাভাৰ মাতৃ সুমিত্ৰা ৰাভাই পুনৰ উত্থাপন কৰিছে বিস্ফোৰক অভিযোগ। এটা ছেটেলাইট চেনেলৰ সৈতে হোৱা এক সাক্ষাৎকাৰত সুমিত্ৰা ৰাভাই তেওঁৰ কন্যা জোনমণিক পৰিকল্পিতভাৱে হত্যা কৰা হৈছিল বুলি মন্তব্য কৰে। তেওঁ কয়, "ঘটনাৰ দিনটোৰ পৰা মই একে কথাকে কৈ আছো, তাইৰ কোনো দুৰ্ঘটনাত মৃত্যু হোৱা নাই। জোনমণিক মাতি নি হত্যা কৰা হৈছে। কেনেকৈ কি কৰিলে নাজানো কিন্তু মোৰ ছোৱালীজনী ষড়যন্ত্ৰৰ বলি হ'ল।" কন্যাৰ মৃত্যুৰ পিছত একপ্ৰকাৰ অকলশৰীয়া হৈ পৰা জোনমণিৰ মাতৃয়ে অসম আৰক্ষী তথা বিজেপি চৰকাৰৰ বিৰুদ্ধে ক্ষোভ উজাৰি আৰু কয়, "মই অক'লে যিমান পাৰো তাইক ন্যায় দিবলৈ চেষ্টা চলালো। আৰু মই নোৱাৰো। মই অক'লে কিমান কৰিব। মোৰ আৰু শক্তি নাই। মোৰ হাতত ধন নাই। বাধ্যত পৰি মই কেছটো উঠাই ল'বলৈ বাধ্য হ'লো।" অসম আৰক্ষীৰ কেইবাজনো আৰক্ষীৰ বিৰুদ্ধে বিভাগীয় তদন্ত আৰম্ভ হোৱা সন্দৰ্ভত কয়, "দেখা যাওক কি হয়। এনে বহু কথা পূৰ্বে ঘোষণা কৰা হৈছিল। কিন্তু ছোৱালীজনীয়ে আজিলৈকে ন্যায় নাপালে। আজি মোৰ লগত কোনো নাই। অকলশৰে মই কিমান যুঁজিম। সকলো ভগৱানৰ ওপৰত এৰি দিছো। উচ্চতম ন্যায়ালয়ৰ ওপৰত মোৰ আস্থা আছে। ন্যায়ালয়ে দোষীসকলক চিনাক্ত কৰি ফাঁচী দিয়ক। মইতো কেতিয়াও ছোৱালীজনী ঘূৰাই নাপাও। অন্তত দোষীয়ে যদি শাস্তি পায় তেন্তে অলপ শান্তি পাম। ভাবি ল'ম জোনমণিৰ আত্মাই শান্তি পাইছে বুলি।" জখলাবন্ধাৰ সেই সময়ৰ অ'চি পৱন কলিতাৰ বিৰুদ্ধেও অভিযোগ উত্থাপন কৰিছে জোনমণিৰ মাতৃয়ে। পৱন কলিতাৰ কথা কৈ জোনমণিৰ মাতৃ সুমিত্ৰা ৰাভাই কয়, 'কেছটো উঠাই লোৱাৰ দিনা মই পৱন কলিতাক লগ পাইছিলো। তেতিয়া মই তাক সুধিছিলো মই দিয়া এজাহাৰ খন কি কৰিলা। তেতিয়া পৱনজ্যোতি কলিতাই মোক বেয়াকৈ কৈছিল। মোৰ সন্মুখতে চিবিআইৰ এজন বিষয়াই পৱনজ্যোতি কলিতাক মনে মনে থাকিবলৈ কৈ ধমক দিছিল।" উল্লেখ্য যে জোনমণিৰ মাতৃয়ে দিয়া এজাহাৰত স্পষ্টকৈ উল্লেখ কৰিছিল সেই সময়ৰ নগাঁৱৰ আৰক্ষী অধীক্ষক লীনা দলেৰ নাম। কিন্তু অতি ৰহস্যজনকভাৱে এজাহাৰৰ পৰা আঁতৰাই দিয়া হৈছিল লীনা দলেৰ নাম। জোনমণিৰ মাতৃৰ অভিযোগ কৰি কয় যে পৱনজ্যোতি কলিতাই ইচ্ছাকৃতভাৱে এজাহাৰৰ পৰা লীনা দলেৰ নাম আঁতৰাই দিছিল। সেয়ে এতিয়া জোনমণিৰ মাতৃ সুমিত্ৰা ৰাভাই মন্তব্য কৰিছে যে নিকা তদন্ত হ'লেই সকলো ৰহস্য ওলাই পৰিব। তাৎপৰ্যপূৰ্ণ কথা এয়ে যে দেশৰ তদন্তকাৰী সংস্থা চিবিআয়ে তদন্ত কৰি জোনমণি ৰাভাৰ মৃত্যুক দুৰ্ঘটনা বুলি প্ৰতিবেদনত প্ৰকাশ কৰিছিল। ৭ ফেব্ৰুৱাৰীত প্ৰকাশিত চিবিআইৰ প্ৰতিবেদনত জোনমণি ৰাভাই পুৱতি নিশা দুৰ্ঘটনাত পতিত হৈ প্ৰাণ হেৰুৱাইছিল বুলি উল্লেখ কৰিছিল। ২০২৩ চনৰ ১৫ মে'ৰ নিশা জোনমণি ৰাভাৰ মৃত্যুক লৈ চূড়ান্ত প্ৰতিবেদন দাখিল কৰি চিবিআইয়ে নিশা দুৰ্ঘটনাত পতিত হৈ মৃত্যু হৈছিল উল্লেখ কৰিছিল। ঘটনাৰ প্ৰায় ৯মাহৰ মূৰকত নগাঁও সত্ৰ ন্যায়াধীশৰ আদালতত চিবিআইয়ে মৃত্যুৰ ঘটনাক লৈ এই তথ্য দাখিল কৰিছিল যদিও অসমৰ ৰাইজৰ মনত সন্দেহ ঘনীভূত হৈ আহিছে। সেই সন্দেহক অধিক প্ৰৱল কৰি তুলি আজি হঠাতে ঘটনাই নতুন মোৰ লৈছে। এই অনুযায়ী চিবিআয়ে অসম আৰক্ষীক বিশেষ তথা কঠোৰ নিৰ্দেশ প্ৰদান কৰাৰ খবৰ প্ৰকাশ পাইছে। লেডী সিংঘম জোনমণি ৰাভাৰ সৈতে ১৫ মে'ৰ নিশা সংঘটিত ঘটনাৰ সৈতে জড়িত প্ৰমাণ-তথা তথ্য নষ্ট কৰা, কৰ্তব্যত গাফিলতিৰ অভিযোগত ৭ আৰক্ষীৰ বিৰুদ্ধে বিভাগীয় তদন্ত কৰিবলৈ নিৰ্দেশ দিছে চিবিআয়ে। দুই আৰক্ষীৰ বিৰুদ্ধে অপৰাধীক গোচৰ ৰুজু কৰা হৈছে। চিবিআইৰ শেহতীয়া প্ৰতিবেদনৰ ভিত্তিত অসম আৰক্ষীৰ ৭ বিষয়া-কনিষ্টবলৰ বিৰুদ্ধে তদন্ত আৰম্ভ কৰিব লাগিব আৰক্ষীয়ে। জোনমণি ৰাভাৰ মৃত্যুৰ কাণ্ডত নাম সাঙোৰ খোৱা বিষয়াৰ নামসহ প্ৰতিবেদনত নাম উল্লেখ কৰিছে। ভিতৰত ২ আৰক্ষীৰ বিৰুদ্ধে অপৰাধীক গোচৰ ৰুজু কৰা হৈছে। চিবিআইৰ প্ৰতিবেদনৰ ভিত্তিত ৰশ্বিদুল হক আৰু ৰাজু বাছফৰৰ বিৰুদ্ধে নগাঁও আৰক্ষীয়ে গোচৰ ৰুজু কৰিছে। নগাঁও সদৰ আৰক্ষী থানাত ৰশ্বিদুল হকৰ বিৰুদ্ধে ৯৩৩/২৪ নম্বৰত ভাৰতীয় ন্যায় সংহিতাৰ অধীনত ১২০বি/৪৮৯এ/৫১১ ধাৰাত গোচৰ ৰুজু কৰাৰ লগতে ৰাজু বাস্ফৰৰ বিৰুদ্ধে ৯৩৪/২৪ নম্বৰত ভাৰতীয় ন্যায় সংহিতাৰ অধীনত ৩৭৯/৪০৬ ধাৰাত গোচৰ ৰুজু কৰা হৈছে। তদানীন্তন জখলাবন্ধা আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া পৱন কলিতা, তদানীন্তন হয়বৰগাঁও আৰক্ষী চকীৰ ভাৰপ্ৰাপ্ত বিষয়া আভাজ্যোতি ৰাভা, নগাঁও সদৰ আৰক্ষী থানাৰ টিএছআই উৎপল বৈশ্য, জখলাবন্ধা আৰক্ষী থানাৰ উপ-পৰিদৰ্শক জাকাৰিয়া চৌধুৰী, মৰিকলং আৰক্ষী চকীৰ উপ-পৰিদৰ্শক মনোজ বৰুৱা, কনিষ্টবল ৰেৱ বৰুৱা আৰু মজিবুৰ ৰহমানৰ বিৰুদ্ধে বিভাগীয় তদন্ত আৰম্ভ কৰা হৈছে। ইয়াৰ লগতে নগাঁৱৰ পূৰ্বৰ আৰক্ষী অধীক্ষক লীনা দলেসহ তিনি শীৰ্ষ আৰক্ষী বিষয়াৰ বিৰুদ্ধে বিভাগীয় তদন্তৰ নিৰ্দেশ দিয়া বিষয়টোৱেও এতিয়া অসম আৰক্ষীৰ ভিতৰচ'ৰাক একপ্ৰকাৰ জোকাৰি গৈছে। আৰক্ষীৰ এটি সূত্ৰৰ পৰা জানিব পৰা মতে, লীনা দলেই নিজক বচাবলৈ চিবিআইৰ বহু শীৰ্ষ বিষয়াৰ সৈতেও যোগাযোগ কৰিছিল। কিন্তু আজি চিবিআইয়ে লীনা দলেৰ বিৰুদ্ধেও বিভাগীয় তদন্তৰ নিৰ্দেশ দিয়াৰ পিছতে সমগ্ৰ ঘটনাটোৰ এটা এটাকৈ পৃষ্ঠা কিছু পলমকৈ হ'লেও খোল খাব বুলি আশা কৰা হৈছে। হাত দীঘল আৰক্ষী বিষয়া হিচাপে পৰিচিত লীনা দলেৰ লগতে লখিমপুৰৰ পূৰ্বৰ আৰক্ষীৰ অধীক্ষক বেদান্ত মাধৱ ৰাজখোৱা আৰু নগাঁৱৰ পূৰ্বৰ অপৰাধ শাখাৰ অতিৰিক্ত আৰক্ষী অধীক্ষক ৰূপজ্যোতি কলিতাৰ বিৰুদ্ধেও তদন্তৰ নিৰ্দেশ দিছে চিবিআইয়ে। সম্প্ৰতি লীনা দলে হাইলাকান্দিৰ আৰক্ষী অধীক্ষকৰূপে কৰ্মৰত হৈ আছে। আনহাতে ৰূপজ্যোতি কলিতা আৰক্ষীৰ মুখ্য কাৰ্যালয়ত আৰু বেদান্ত মাধৱ ৰাজখোৱা দুৰ্নীতি নিবাৰক তদাৰকী শাখাত কৰ্মৰত হৈ আছে। এতিয়া বিভাগীয় তদন্তৰ অন্তত কি কথা পোহৰলৈ আহে সেয়া হ'ব লক্ষণীয়। উল্লেখ্য যে, ৰাজ্য জোকাৰি যোৱা অসম আৰক্ষীৰ এছ আই জোনমণি ৰাভাৰ ৰহস্যজনক মৃত্যুৰ তদন্ত চিবিআইক অৰ্পণ কৰাৰ পিছতে তদন্তকাৰী সংস্থাটোৱে ঘটনাৰ সৈতে জড়িত আৰক্ষী অধীক্ষক লীনা দলেকো জেৰা চলাইছিল। ঘটনাটোৰ পিছতে নগাঁৱৰ পৰা তাৎক্ষণিকভাৱে হাইলাকান্দিলৈ বদলি কৰা লীনা দলেক জেৰাৰ বাবে নগাঁও আৱৰ্ত ভৱনত উপস্থিত হ'বলৈ কোৱা হৈছিল। এই অনুযায়ী যোৱা ৭ অক্টোবৰত প্ৰায় পাঁচ ঘণ্টাৰো অধিক সময় ধৰি এছ পি লীনা দলেক জেৰা চলাইছিল চিবিআইৰ দলে। গোটেই দিনটো জেৰা চলোৱাৰ অন্তত সন্ধিয়াহে যাবলৈ দিয়া হৈছিল লীনা দলেক। লীনা দলেক জেৰা চলোৱাৰ পিছত সমগ্ৰ ঘটনাৰ আঁৰৰ কথাসমূহ পোহৰলৈ আহিব বুলি আশা কৰা হৈছিল যদিও পৰৱৰ্তী সময়ত এজাহাৰৰ পৰা লীনা দলেৰ নাম ৰহস্যজনকভাৱে নাইকিয়া হৈ পৰাৰ দৰে বিষয়বোৰে জোনমণি ৰাভাৰ মাতৃৰ লগতে সমগ্ৰ অসমৰ সচেতন মহলৰ মাজত সন্দেহৰ উদ্ৰেক ঘটাইছিল। অৱশেষত পলমকৈ হ'লেও লীনা দলে তদন্তৰ আওতালৈ অহা বিষয়টোৱে এতিয়া বহন কৰিছে বিশেষ তাৎপৰ্য। বিশেষকৈ জোনমণি ৰাভাৰ মাতৃয়ে বাৰম্বাৰ সংবাদ মাধ্যমৰ আগত ঘটনাটো সংঘটিত হোৱাৰ দিনা দলেৰ ভূমিকা থকাৰ কথা কৈ আহিছিল। তেনেক্ষেত্ৰত কি ৰহস্যজনক কাৰণত ইমানদিনে বিষয়াগৰাকী তদন্তৰ আওতালৈ অহা নাছিল সেয়াও আশ্চৰ্যৰ কথা।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# ইৰাণত কয়লা খনিত বিস্ফোৰণ

কমেও ২০ জনকৈ লোক। চৰকাৰী সংবাদ মাধ্যমত প্ৰকাশিত বাতৰি অনুসৰি এই বিস্ফোৰণৰ ঘটনা দেশখনৰ দক্ষিণ খুৰাছান প্ৰান্তত সংঘটিত হয়। অঞ্চলটোৰ তাবাছ খনিত হোৱা বিস্ফোৰণৰ সময়তো খনিটোত কাম চলি থকা বুলি সংবাদ মাধ্যমে প্ৰকাশ কৰিছে। তথ্য অনুসৰি বিস্ফোৰণৰ সময়ত কয়লা খনিটোত প্ৰায় ৭০ জন লোক কৰ্মৰত অৱস্থাত আছিল। বিস্ফোৰণৰ খবৰ লাভ কৰাৰ লগে লগে স্থানীয় প্ৰশাসনৰ বিষয়াসকল ঘটনাস্থলীত উপস্থিত হয় আৰু তাৎক্ষণিকভাৱে উদ্ধাৰ অভিযান আৰম্ভ কৰে। আহত লোকসকলক উদ্ধাৰ কৰি সমীপৱৰ্তী চিকিৎসালয়লৈ প্ৰেৰণ কৰা বুলি প্ৰকাশ কৰিছে স্থানীয় সংবাদ মাধ্যমে। ঘটনা সন্দৰ্ভত তদন্তৰ নিৰ্দেশ দিছে ৰাষ্ট্ৰপতি মাছুদ পেছেকিয়ানে। উল্লেখ্য যে, ইয়াৰ পূৰ্বেও ইৰাণত সময়ে সময়ে এনে দুৰ্ঘটনা সংঘটিত হৈ আহিছে। ২০১৭ চনতো দেশখনৰ এক কয়লা খনিত আন এক ভয়াৱহ বিস্ফোৰণ সংঘটিত হৈছিল। এই বিস্ফোৰণত ৪২ জন লোকৰ মৃত্যু হোৱা বুলি পোহৰলৈ আহিছিল। তাৰ পূৰ্বে ২০১৩ চনত দুটা ভিন্ন খনিত হোৱা এনে বিস্ফোৰণত ১১ জন শ্ৰমিকৰ মৃত্যু হৈছিল। তাৰ পূৰ্বেও ২০০৯ চনত সংঘটিত হোৱা এক বিস্ফোৰণত প্ৰাণ হেৰুৱাইছিল প্ৰায় ২০ জন শ্ৰমিকে। সাধাৰণতে সুৰক্ষা ব্যৱস্থাত থকা আসোঁৱাহৰ বাবেই ইৰাণৰ খনন অঞ্চলত এনে বিস্ফোৰণ তথা দুৰ্ঘটনা সঘনাই সংঘটিত হৈ আহিছে। আনহাতে খনিত কৰ্মৰত শ্ৰমিকসকলে এনে দুৰ্ঘটনাৰ সময়ত খনিৰ পৰা বাহিৰলৈ ওলাবলৈ কোনো জৰুৰীকালীন সেৱা উপলব্ধ নথকাৰ বাবে মৃত্যুমুখত পৰি আহিছে। উল্লেখ্য যে, তৈল সম্পদত চহকী ইৰাণ সমগ্ৰ বিশ্বতে তেল উৎপাদনৰ বাবে বিশেষভাৱে পৰিচিত। একে সময়তে ইৰাণত আন বিভিন্ন ধৰণৰ খনিজ পদাৰ্থও যথেষ্ট পৰিমাণে উপলব্ধ। ইৰাণে বছৰি প্ৰায় ৩৫ লাখ টন কয়লা ব্যৱহাৰ কৰে যদিও প্ৰতি বছৰে দেশখনত থকা খনিৰ পৰা মাত্ৰ ১৮ লাখ টন কয়লাহে আহৰণ কৰি আহিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# কিমাশ্চৰ্যম! লাভলীনা-হিমাৰ

মুঠিত ৰাখি আহিছে। সময়ে সময়ে চৰকাৰে ক্ৰীড়া সংগঠনসমূহৰ দায়িত্ব ক্ৰীড়াৰ সৈতে জড়িত ব্যক্তিৰ হাতত দিয়াৰ কথা কৈ আহিছে যদিও সময়ত সকলো ফুটুকাৰ ফেন হৈ পৰে। দেশ-বিদেশৰ বিভিন্ন প্ৰান্তত হোৱা ক্ৰীড়া প্ৰতিযোগিতাসমূহত চৰকাৰী খৰছত ঘূৰি ফুৰাৰ মোহ ত্যাগ কৰিব নোৱৰা ৰাজনীতিবিদসকলে শেষ মুহূৰ্তত সেই একেই কাৰ্যৰে পুনৰাবৃত্তি ঘটাই আহিছে। এইবাৰো তেনে দৃশ্যই দেখা গ'ল অসমৰ ক্ৰীড়াৰ ক্ষেত্ৰৰ মূল সংগঠন স্বৰূপ অসম অলিম্পিক সন্থাৰ নিৰ্বাচনত। আজি গঠিত অসম অলিম্পিক সন্থাৰ সভাপতি পদত বিনা প্ৰতিদ্বন্দ্বিতাত জয়ী হৈছে বিজেপিৰ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱাল। আনহাতে বাকী একাধিক পদতেই দেখা গ'ল বিজেপি নেতাৰ নাম। আনকি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ ভাতৃ সুশান্ত বিশ্ব শৰ্মা জয়ী হৈছে সন্থাৰ উপ-সভাপতি পদত। শীৰ্ষ প্ৰায়সমূহে পদেই ক্ৰীড়াৰ সৈতে জড়িত নথকা লোকে লাভ কৰিছে। কিন্তু সকলোকে আঁচৰিত কৰি ৪২ জনীয়া এই সমিতিত ৰাজ্যৰ এগৰাকীও মহিলা ক্ৰীড়াবিদ তথা প্ৰাক্তন মহিলা ক্ৰীড়াবিদে স্থান নাপালে। যিখন ৰাজ্যৰ একমাত্ৰ অলিম্পিক জয়ী খেলুৱৈগৰাকী হৈছে মহিলা সেই ৰাজ্যখনৰ অলিম্পিক সন্থাত এগৰাকীও মহিলাই স্থান নোপোৱা বিষয়টোৱে ক্ৰীড়াৰ সৈতে জড়িত সচেতন মহলক একপ্ৰকাৰ স্তম্ভিত কৰি তুলিছে। উল্লেখ্য যে অসম কন্যা লাভলীনা বৰগোহাঁয়ে ২০২০ চনৰ টকিঅ' অলিম্পিকত লাভ কৰিছিল ব্ৰঞ্জৰ পদক। একেদৰে দৌৰৰ ৰাণীখ্যাত হিমা দাসে ৰাজ্যখনলৈ অলেখ সুনাম কঢ়িয়াই আনিছে। ভাৰতীয় দলত স্থান পাইছে মহিলা ক্ৰিকেট খেলুৱৈ উমা চেত্ৰী। নয়নমণি শইকীয়াই কমনৱেলথ গেমছত লন বলত সোণৰ পদক আজুৰি আনিছে। এনে বহু মহিলা ক্ৰীড়াবিদে অসমৰ নাম উজলাই আহিছে। পূৰ্বেও বহু মহিলা ক্ৰীড়াবিদে অসমলৈ গৌৰৱ কঢ়িয়াই আনিছে। কিন্তু পৰিতাপৰ বিষয় এয়াই যে যিখন ৰাজ্যত লাভলীনা বৰগোহাঁই, হিমা দাস, উমা চেত্ৰী, নয়নমণি শইকীয়া আছে সেইখন ৰাজ্যৰ অলিম্পিক সমিতিত এগৰাকীও মহিলাৰ স্থান নাই। বিশ্বৰ ক্ৰীড়া মানচিত্ৰত অসমৰ মান বৃদ্ধি কৰা খেলুৱৈৰ ৰাজ্যখনৰ কোনো মহিলাক অলম্পিক সমিতিত স্থান দিয়া নহয় কিয়? মহিলা প্ৰতিনিধিবিহীন ক্ৰীড়া সংস্থাত পুৰুষতন্ত্ৰই চলিব বুলি কোৱাৰ বাহিৰে এতিয়া গত্যন্তৰ নাই বুলি আক্ষেপ প্ৰকাশ কৰিছে সচেতনমহলে। নাৰীক ঘৰৰ পৰা উলিয়াই নি ক্ৰীড়াক্ষেত্ৰৰ অংশীদাৰ কৰাৰ কথা কৈ অহা সচেতন নাগৰিকে এইধৰণৰ কাৰ্যক কিভাৱে লয় তাৰ ওপৰতে এতিয়া নিৰ্ভৰ কৰিব ক্ৰীড়াৰ ক্ষেত্ৰত ৰাজ্যখনৰ উত্তৰণৰ ভৱিষ্যত। ইতিমধ্যে এই বিষয়টোক লৈ ছচিয়েল মিডিয়াতো ভিন্নজনে নিজৰ প্ৰতিক্ৰিয়া ব্যক্ত কৰিছে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# গৰমত ৰাজ্যত প্ৰাণ

পৰ্যন্ত পাৰাস্তম্ভ বৃদ্ধি পোৱাত নাগৰিকে ঘৰতে থাকিবলগীয়া হৈছে। তাৰ মাজতে ৰাজ্যত গৰমৰ প্ৰকোপত কেইবাটাও অনাকাংক্ষিত ঘটনা সংঘটিত হৈছে। ৰাজ্যত দুগৰাকী লোকে প্ৰাণ হেৰুৱাইছে। আজিৰ দিনটোত দুগৰাকী লোকে গৰমৰ প্ৰকোপত প্ৰাণ হেৰুওৱাৰ খবৰ পোৱা গৈছে। প্ৰচণ্ড গৰমত প্ৰাণ গৈছে তেজপুৰত এজন লোকৰ। তেজপুৰত গৰৈমাৰীৰ চলাগাঁৱৰ অনুপ কোঁচে ঘৰৰ মজিয়াত ঢলি পৰি মৃত্যুক আকোৱালি লয়। অনুপ কোঁচে তেজপুৰৰ বায়ু সেনা ঘাটিৰ অস্থায়ী কৰ্মচাৰী আছিল। অনুপ কোঁচক হাস্পতালত ভৰ্তি কৰোৱা হৈছিল যদিও চিকিৎসকে মৃত ঘোষণা কৰে। প্ৰচণ্ড গৰমত প্ৰায় যায় দেৰগাঁৱত আন এজন লোকৰ। দেৰগাঁৱৰ পৰিবহন নিগমৰ বাছস্থানৰ সমীপতে প্ৰাণ যায় যোৰহাট বৰমুকলিৰ কাকতিচুকৰ জীৱকান্ত পেগুৰ। দেওবাৰে দেৰগাঁৱৰ অসম পৰিবহন নিগমৰ বাছ আস্থানৰ সমীপৰ ৰাজপথত ঢলি পৰে পেগু। ৰাইজে পেগুক উদ্ধাৰ কৰি দেৰগাঁও সামূহিক চিকিৎসালয়লৈ নিয়ে যদিও চিকিৎসকে মৃত ঘোষণা কৰে। বিগত কেইবাদিন ধৰি উৎকট গৰমত ৰাজ্যবাসী চটফটাইছে। দেওবাৰৰ তাপমাত্ৰা আছিল ৪০ ডিগ্ৰী। দেওবাৰৰ তাপমাত্ৰা সহ্য কৰিব নোৱাৰি দেৰগাঁও আৰু তেজপুৰত সংঘটিত হ'ল এক শোকাৱহ ঘটনা। অত্যধিক গৰম সহ্য কৰিব নোৱাৰি প্ৰাণ যায় দুজনকৈ লোকৰ। উল্লেখ্য যে জুন-জুলাই মাহত ৰাজ্যত যথেষ্ট বৰষুণ হোৱা বাবে সেই দুটা মাহত গৰমৰ প্ৰকোপ কিছু কমকৈ অনুভৱ হোৱা পৰিলক্ষিত হৈছিল। বতৰ বিজ্ঞান কেন্দ্ৰৰ সূত্ৰই সদৰী কৰা মতে অহা প্ৰায় ৩-৪ দিনলৈ ৰাজ্যত বৰষুণ হোৱাৰ সম্ভাৱনা তেনেই সামান্য। শনিবাৰে চেগা-চোৰোগাকৈ কোনো কোনো ঠাইত বৰষুণ পৰে যদিও সেই বৰষুণে ৰাজ্যখনলৈ শীতলতা নমাই আনিব নোৱৰাত আজি গৰম অসহনীয় হৈ পৰে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# বৃদ্ধ কালত ওলাইছে চুলি!

নেতা ৰকিবুল হুছেইনে। বিগত কেইবাদিন ধৰি মুখ্যমন্ত্ৰী ড০ শৰ্মাক তীব্ৰ আক্ৰমণৰ লক্ষ্য কৰি লোৱা ৰকিবুল হুছেইনে তৰুণ গগৈ চৰকাৰৰ দিনত পৰ্যটন বিভাগে প্ৰদান কৰা গাড়ীৰ প্ৰসংগ টানি আনি হিমন্ত বিশ্ব শৰ্মাক ইতিকিং কৰে। ৰকিবুল হুছেইন হিমন্ত বিশ্ব শৰ্মাৰ বুঢ়া বয়সত চুলি গজিছে বুলি শ্লেষাত্মক মন্তব্য প্ৰদান কৰি কয় যে তৰুণ গগৈ চৰকাৰে টুৰিজিমৰ পৰা দিয়া গাড়ীত এতিয়া ঘূৰি ফুৰিছে। সেই কথা তেঁওৰ লগৰ কেইজনেও জানে। একপ্ৰকাৰ নাম নোলোৱাকৈয়ে হিমন্ত বিশ্ব শৰ্মাৰ ঘনিষ্ঠ মন্ত্ৰী পীযুষ হাজৰিকাক কটাক্ষ কৰে সাংসদ ৰকিবুল হুছেইনে। দিল্লীলৈ গৈ সকলোবোৰ কেছেত বজাই দিয়াৰ ধমক দি হুছেইনে আৰু কয় যে দিল্লীত গৈ সকলোবোৰ কেছেত বজাই দিম। দেখোৱাই দিম। তেতিয়াহে চিনি পাব হিমন্ত বিশ্ব শৰ্মাৰ এতিয়াৰ ৰূপ আৰু আগৰ আচল ৰূপ। হিমন্ত বিশ্ব শৰ্মাই অসম আৰক্ষীক বেয়া কামত ব্যৱহাৰ কৰা বুলি গুৰুতৰ অভিযোগ আনি হুছেইনে কয় "হিমন্ত বিশ্ব শৰ্মাই অসমৰ পুলিচক বেয়া কামত লগাইছে। হিমন্ত বিশ্ব শৰ্মাৰ কথামতে যিসকল পুলিচে বেয়া কাম কৰে, অন্যায় কৰে, বে-আইনি কাম কৰে তেঁওলোকৰো শাস্তি হ'ব।"

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# অলিম্পিক সন্থাত কেৰল

সভাকক্ষত অনুষ্ঠিত পূৰ্ণাংগ কাৰ্যনিৰ্বাহক সভাত মন্ত্ৰী জয়ন্তমল্ল বৰুৱা, পীযুষ হাজৰিকাসহ হিমন্ত বিশ্ব শৰ্মাৰ কেইবাগৰাকী ঘনিষ্ঠ বিধায়ক উপস্থিত থাকে। এই সভাত আজি অসম অলিম্পিক সন্থাৰ কেইবাটাও পদৰ বাবে নিৰ্বাচন অনুষ্ঠিত হয়। শাসকীয় দলে পূৰ্বে নিৰ্ধাৰণ কৰাৰ দৰেই সৰ্বানন্দ সোণোৱাল সভাপতিৰ পদত বিনা প্ৰতিদ্বন্দ্বিতাই নিৰ্বাচিত হয়। ইপিনে সাধাৰণ সম্পাদকৰ পদত নিৰ্বাচন অনুষ্ঠিত হয়। সাধাৰণ সম্পাদকৰ পদত যুৱ কল্যাণ বিভাগৰ সদস্য সচিব গীতাৰ্থদেৱ গোস্বামীক হৰুৱাই জয়ী হয় লক্ষ্য কোঁৱৰ। জ্যেষ্ঠ উপ-সভাপতি পদৰ বাবে নিৰ্বাচন অনুষ্ঠিত হোৱা নাই। কাৰ্যনিবাহক অনুষ্ঠিত কৰি পৰৱৰ্তী সময়ত জ্যেষ্ঠ উপ-সভাপতি পদৰ বাবে নিৰ্বাচন অনুষ্ঠিত কৰাৰ সিদ্ধান্ত লয় কাৰ্যনিৰ্বাহকে। আজি ঘোষণা কৰা সমিতিত উপ-সভাপতি পদত নিৰ্বাচিত হয় বাণীপ্ৰদা দাস, মৃগাংক দেৱবৰ্মন, মুৰুলীধৰ চৌধুৰী, প্ৰশান্ত প্ৰতীম কাঠকটীয়া, ৰাজ কাকতি, ৰাজীৱ শৰ্মা, শিলাদিত্য দেৱ, সুবোধ মল্ল বৰুৱা, সুশান্ত বিশ্ব শৰ্মা আৰু কবি ৰঞ্জন ব্ৰহ্ম। কোষাধ্যক্ষ পদত নিৰ্বাচিত হয় অশোক কুমাৰ ভৰালী। সন্থাৰ যুটীয়া সম্পাদকৰ পদত বিজয়ী হৈছে হীৰেন গগৈ, নিৰঞ্জন শইকীয়া, ৰাতুল শৰ্মা, শান্তনু কলিতা, তপন দাস আৰু উজ্জ্বল বৰুৱা। সহকাৰী সম্পাদক পদত আফতাব হুছেইন, অংশুমান দত্ত, অৰূপ কুমাৰ ঠাকুৰীয়া, বেনজিৰ ৰশ্বিদ, হিমাংশু শেখৰ বৈশ্য, ৰাজেশ বড়ো, ৰবীন শইকীয়া, জেহেৰুল শইকীয়া বিনা প্ৰতিদ্বন্দ্বিতাৰে নিৰ্বাচিত হয়। লগতে ১৫গৰাকী কাৰ্যনিৰ্বাহক সদস্য নিৰ্বাচিত কৰা হয়। কোৱা বাহুল্য যে, অসম অলিম্পিক সন্থা ৰাজনীতিৰ পৰা মুক্ত হোৱাটো বিচাৰিছিল অসমৰ ৰাইজে। কিন্তু ৰাজনীতিৰ পৰা মুক্ত নহ'ল। মুখ্য পদ সভাপতিৰ পদটোকে কব্জা কৰি ৰাখিলে বিজেপিৰ নেতা সৰ্বানন্দ সোণোৱালে। আনহাতে মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাৰ ভাতৃ সুশান্ত বিশ্ব শৰ্মা, বিজেপিৰ নেতা ৰাতুল শৰ্মা, হিমাংশু শেখৰ বৈশ্যকে ধৰি কেইবাগৰাকী বিজেপি নেতাই শীৰ্ষ পদসমূহ দখল কৰে। ইপিনে চৰ্চা মতে, বিজেপিৰ সৰ্বানন্দ সোণোৱাল পন্থীৰ ক্ষমতা জাহিৰ কৰিবলৈ অলিম্পিক সন্থাৰ কাৰ্যনিৰ্বাহক ডিব্ৰুগড়ত অনুষ্ঠিত কৰা হৈছে। সৰ্বানন্দ সোণোৱাল পন্থীয়ে শক্তি প্ৰদৰ্শন কৰাত হিমন্ত বিশ্ব শৰ্মাই তেওঁৰ ঘনিষ্ঠসকলক মনোনয়ন প্ৰত্যাহাৰ কৰিবলৈ নিৰ্দেশ দিছিল। অন্যথাই সংঘাত স্পষ্ট হৈ আছিল। খোদ মন্ত্ৰী পীযুষ হাজৰিকা, জয়ন্ত মল্লবৰুৱাই সন্থাৰ উপ-সভাপতি পদত মনোনয়ন দাখিল কৰিছিল যদিও প্ৰতিদ্বন্দ্বী নাছিল। উপ-সভাপতি পদত মনোনয়ন দাখিল কৰিছিল মন্ত্ৰী নন্দিতা গাৰ্লোছা, বিধায়ক ৰূপজ্যোতি কুৰ্মীয়ে। কিন্তু সৰ্বানন্দ সোণোৱাল পন্থীৰ সন্মুখত হাৰ মানি হিমন্ত বিশ্ব শৰ্মাৰ ঘনিষ্ঠ মন্ত্ৰী-বিধায়কে মনোনয়ন প্ৰত্যাহাৰ কৰিছে। এনে পৰিপ্ৰেক্ষিততে অসম অলিম্পিক সন্থাৰ কাৰ্যনিৰ্বাহক সমিতিখন ৰাজনৈতিক প্ৰভাৱত গঠন হোৱা বুলি চৰ্চা চলিছে। ক্ৰীড়া সংগঠনসমূহক ৰাজনৈতিক প্ৰভাৱৰ পৰা মুক্ত কৰাৰ কথা কোৱা হয় যদিও ৰাজনৈতিক হস্তক্ষেপৰ পৰা মুক্ত নহ'ল। সেই কথাই পুনৰ বাৰ প্ৰমাণ হ'ল। আজি অনুষ্ঠিত নিৰ্বাচনত জিলা সমিতিৰ প্ৰতিনিধিসহ ২০০গৰাকী ভোটাৰে অংশগ্ৰহণ কৰিব লাগিছিল। অসম অলিম্পিক সন্থাত ২০০ বৈধ ভোটাৰ আছে। কিন্তু আজি অতি কম সংখ্যক বৈধ ভোটাৰে ভোটদান কৰে। ৰাজ্যৰ ৩৩ খন জিলাৰ দুজনকৈ প্ৰতিনিধি আৰু কাৰ্যনিৰ্বাহক সমিতিয়ে ভোটদান কৰিব লাগিছিল। ভোটাৰৰ অভিযোগ নিষ্পত্তি কৰি পৰৱৰ্তী নিৰ্বাচনত ভোটধিকাৰ সাব্যস্ত কৰিবলৈ পৰাকৈ ব্যৱস্থা কৰিব বুলি জানিবলৈ দিয়ে ৰিটাৰ্ণিং বিষয়াই। উল্লেখ্য যে, অলিম্পিক সন্থাৰ নিৰ্বাচনক লৈ সামাজিক মাধ্যমত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হয়। কেইবাটাও পদত শাসকীয় দলৰ মন্ত্ৰী-বিধায়কে মনোনয়ন দাখিল কৰিছিল। তিনি দশকৰ অন্তত অনুষ্ঠিত অসম অলিম্পিক সন্থাৰ নিৰ্বাচনত মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই বিজেপিৰ মন্ত্ৰী-বিধায়কক অংশ ল'বলৈ বাধা দিছিল। তাৰ পাছতে কেইবাটাও পদত মনোনয়ন দাখিল কৰা মন্ত্ৰী-বিধায়কে মনোনয়ন প্ৰত্যাহাৰ কৰে। জানিব পৰা মতে, ১৩ গৰাকী মন্ত্ৰী-বিধায়কে মনোনয়ন প্ৰত্যাহাৰ কৰে।

■ প্ৰথম পৃষ্ঠাৰ পৰা...

# নিযুক্তি পৰীক্ষাৰ আসোঁৱাহৰ

দিবলৈ আৰম্ভ কৰিছে। মহিলা পৰীক্ষাৰ্থীৰ ক্ষেত্ৰত তালাচীৰ নামত চলোৱা শাৰীৰিক নিৰ্যাতনক বৈধতা দিব খুজি মুখ্যমন্ত্ৰীয়ে এই তালাচী অব্যাহত থাকিব বুলিও ঘোষণা কৰিছে। অকল সেয়াই নহয় পৰীক্ষাৰ্থীয়ে নিজেৰ প্ৰশ্নকাকত বা অ'এমআৰ চিট চাব খুজিলে ৫০ টকাকৈ মাচুল দিব লাগিব বুলি ঠিৰাং কৰিছে। মুখত যি মন যায় তাকে কৈ দিয়া মুখ্যমন্ত্ৰীজনে শেষত তেওঁৰ মুখৰ কথাকে নীতি-নিয়মলৈ পৰিৱৰ্তন কৰিবলৈ বিষয়াসকলক নিৰ্দেশ দিয়ে। মুখ্যমন্ত্ৰীৰ নিত্য-নতুন নিৰ্দেশনাত অতিষ্ঠ হৈ পৰিছে ৰাজ্য প্ৰশাসনৰ বিষয়া-কৰ্মচাৰী। শেহতীয়াকৈ অনুষ্ঠিত হৈ যোৱা এডিআৰই পৰীক্ষাত দেশৰ ভিতৰতে প্ৰথমবাৰ নোহোৱা-নোপোজা ঘটনা সংঘটিত হৈছে। প্ৰথমবাৰ নিযুক্তি পৰীক্ষাত বহা পৰীক্ষাৰ্থীৰ পৰিচয় প্ৰশ্নকাকতত উল্লেখ কৰা হৈছিল। অ'এমআৰত পৰীক্ষাৰ্থীৰ ৰোল নম্বৰৰ লগতে ফটো, নাম সন্নিৱিষ্ট কৰা হৈছিল। পৰীক্ষাৰ বহী তথা অ'এমআৰত ফটো আৰু নাম সন্নিৱিষ্ট কৰি নিযুক্তি পৰীক্ষা অনুষ্ঠিত কৰা চৰকাৰে গোপনীয়তা ভংগ কৰাৰ অভিযোগ উত্থাপন হৈছিল। হিমন্ত বিশ্ব শৰ্মা চৰকাৰৰ পৰীক্ষা অনুষ্ঠিত কৰাৰ পাৰদৰ্শিতাক লৈও প্ৰশ্ন উত্থাপন হ'ব ধৰিছে। দেশত শেহতীয়াকৈ ধৰ্ম বিশেষ তথা অনুসূচিত জাতি, অনুসূচিত জনজাতিৰ লোকৰ বিৰুদ্ধে ঘৃণাৰ ভাব বৃদ্ধি হ'ব ধৰিছে। তেনে সময়তে এনেদৰে পৰীক্ষাৰ্থীৰ পৰিচয় বহী পৰীক্ষকক জানিবলৈ দিয়াত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হোৱাত কালি নিশা ফেচবুক লাইভত আহি মুখ্যমন্ত্ৰীয়ে চৰকাৰৰ ভুল স্বীকাৰ কৰে। মুখ্যমন্ত্ৰীয়ে পৰৱৰ্তী সময়ত অনুষ্ঠিত পৰীক্ষাৰ বহীত ফটো, নাম উল্লেখ নাথাকে বুলি একপ্ৰকাৰ ক'বলৈ বাধ্য হয়। কিন্তু মুখ্যমন্ত্ৰীয়ে এডিআৰই পৰীক্ষাত বহা পৰীক্ষাৰ্থীয়ে অ'এমআৰ শ্বীট চাব পাৰিব বুলি ঘোষণা কৰি বিনিময়ত ৫০ টকা মাচুল দিব লাগিব বুলি উল্লেখ কৰিছিল। মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰা মতে, শেহতীয়াকৈ অনুষ্ঠিত হৈ যোৱা এডিআৰই পৰীক্ষাত বহা পৰীক্ষাৰ্থীসকলে অ'এমআৰ শ্বীট চাব পাৰিব। কিন্তু শ্বীটখন লাভ কৰিবলৈ ৫০ টকা মাচুল ভৰিব লাগিব। ১১ লক্ষ নিবনুৱাই পৰীক্ষাত বহিছে। যদি সকলোৱে অ'এমআৰ শ্বীটৰ বাবে ৫০ টকা দি আবেদন কৰি তেন্তে কমেও ৫ কোটি টকা চৰকাৰৰ ঘৰলৈ আহিব। হিমন্ত বিশ্ব শৰ্মাৰ এন ঘোষণাৰ পাছতে সৰৱ হৈছে কৃষক মুক্তি সংগ্ৰাম সমিতি। কৃষক মুক্তি সংগ্ৰাম সমিতিৰ সভাপতি বিদ্যুৎ শইকীয়াই এয়া হিমন্ত চৰকাৰৰ টকা ঘটাৰ ধান্দা আখ্যা দিয়ে। কৃষক মুক্তিৰ সভাপতি বিদ্যুৎ শইকীয়া কয় যে যিহেতু পৰীক্ষাত খেলি-মেলি হৈছে সেয়েহে পৰীক্ষাৰ্থীয়ে নিজৰ অ'এমআৰখন চাব খুজিব। সুযোগ লৈ মুখ্যমন্ত্ৰীয়ে চতুৰালিৰে এডিআৰইৰ অ'এমআৰ শ্বীট চাবৰ বাবে ৫০ টকাকৈ ভৰিব লাগিব বুলি কৈছে। আজিকালি মুখ্যমন্ত্ৰী, মুখ্যমন্ত্ৰীৰ পৰিবাৰ, পুত্ৰৰ মন-মগজুত কেৱল ব্যৱসায়ৰ কথাকে চলি থাকে। মুখ্যমন্ত্ৰী ব্যৱসায়িক মানসিকতাত থকাত তেওঁ যে মুখ্যমন্ত্ৰী সেই কথা পাহৰি যায়। ১১ লাখ পৰীক্ষাৰ্থীয়ে ৩ হাজাৰ আসনৰ বিপৰীতে পৰীক্ষা দিছে। পৰীক্ষাটো ভালদৰে অনুষ্ঠিত কৰিব পৰা নাই। নিবনুৱাৰ প্ৰতি তেওঁৰ যিটো দায়বদ্ধতা থাকিব লাগিছিল সেয়া কৰা নাই। পৰীক্ষাৰ্থী আবেদনৰ খৰছ, দূৰৰ কেন্দ্ৰত পৰীক্ষা দিব যোৱাৰ খৰছ, কিতাপ কিনা, কচিং চেণ্টাৰৰ খৰছ আছেই। তাৰ মাজতো মুখ্যমন্ত্ৰীয়ে বেপাৰৰ পাং পাতিছে। এডিআৰই পৰীক্ষাৰ অ'এমআৰখন পৰীক্ষাৰ্থীয়ে চাব পাৰিব। কিন্তু ৫০ টকাকৈ ভৰিব লাগিব। মুখ্যমন্ত্ৰীয়ে ১১ লাখ পৰীক্ষাৰ্থীৰ পৰা ৫ কোটি ৫৫ লাখ টকা তোলাৰ ধান্দা কৰিছে। মুখ্যমন্ত্ৰীৰ চুলিৰ পৰা আঙুলিলৈকে পৰিয়াল, পুত্ৰ-পুত্ৰীলৈকে কেৱল বেপাৰৰ ধান্দা কৰিছে। কিন্তু নিবনুৱাৰ ক্ষেত্ৰত এই ধান্দা কৰিবলৈ এৰক বুলিও কয় বিদ্যুৎ শইকীয়াই। উল্লেখ্য যে, এডিআৰই পৰীক্ষাৰ অ'এমআৰ শ্বীট ফাদিল হোৱাৰো অভিযোগ উত্থাপন হৈছিল। ছ'চিয়েল মিডিয়াত পৰীক্ষাৰ প্ৰশ্নকাকত ভাইৰেল হোৱাত অসম আৰক্ষীয়ে তদন্ত আৰম্ভ কৰিছিল। ধেমাজি আৰক্ষীয়ে পৰীক্ষা হল'ৰ ফটোগ্ৰাফাৰ মঙ্গল সিং বসুমুতাৰীক গ্ৰেপ্তাৰ কৰিছিল। ধেমাজি জিলাৰ চিমেন চাপৰিৰ উপেন্দ্ৰ ৰাষ্ট্ৰীয় একাডেমীৰ পৰা প্ৰশ্নকাকত ভাইৰেল হোৱা বুলি জানিব পৰা গৈছিল।

**শিৱসাগৰত শোকৰ ছাঁ**

# অৱসৰপ্ৰাপ্ত কৃতী শিক্ষয়িত্ৰী মাৰ্থা স্মিথৰ মৃত্যু

**ই-সংবাদ, শিৱসাগৰ, ২২ ছেপ্টেম্বৰঃ** শিৱসাগৰ কে পি চাৰিআলি নিবাসী বিশিষ্ট ধৰ্মপ্ৰাণা মহিলা তথা অৱসৰপ্ৰাপ্ত কৃতী শিক্ষয়িত্ৰী মাৰ্থা স্মিথৰ আজি সন্ধিয়া ৬ বাজি ৫০ মিনিটত ৰজাবাৰী চ্যুকাফা মাল্টিস্পেচিয়েলিটি হাস্পতালত বাৰ্ধক্যজনিত কাৰণত পৰলোকপ্ৰাপ্তি হোৱাৰ খবৰে সমগ্ৰ শিৱসাগৰ জিলাখনতেই গভীৰ শোঁকৰ ছা পেলাইছে। মৃত্যুৰ সময়ত মাৰ্থা স্মিথৰ বয়স হৈছিল ৮৯ বছৰ। শিৱসাগৰ থানামুখত অৱস্থিত ৩৬৬ নং প্ৰাথমিক বিদ্যালয়ৰ পৰা অৱসৰ গ্ৰহণ কৰা মাৰ্থা স্মিথে পৰৱৰ্তী সময়ত ধৰ্মীয় কাম-কাজত ব্যস্ত হৈ পৰিছিল। উল্লেখ্য যে, শিৱসাগৰৰ জ্যেষ্ঠ সাংবাদিক অনন্ত স্মিথ আৰু যুৱ ব্যৱসায়ী ৰণি স্মিথৰ মাতৃ মাৰ্থা স্মিথ বিগত কিছুদিন ধৰি কেতবোৰ শাৰিৰীক অসুস্থতাত ভূগিব আহিছিল। আজি বিয়লিৰ ভাগত হঠাৎ শ্বাস-প্ৰশ্বাসত কিছু অসুবিধা পোৱাত ততাতৈয়াকৈ জৰুৰী সেৱাৰ যোগেদি চ্যুকাফা হস্পিতাললৈ নিয়া হয় যদিও প্ৰাথমিক চিকিৎসা প্ৰদানৰ কিছু সময়ৰ পিছতেই মৃত্যু হয়। ইহসংহাৰত এগৰাকী জীয়ৰী, দুজন পুত্ৰ, দুগৰাকী বোৱাৰী, নাতি-নাতিনীসহ এটা বৃহৎ পৰিয়াল এৰি থৈ যোৱা মাৰ্থা স্মিথৰ শেষকৃত্য কাইলৈ দৰবাৰ ৰোডত অৱস্থিত খ্ৰীষ্টান কবৰস্থানত সম্পন্ন কৰা হ'ব। অৱসৰী কৃতী শিক্ষয়িত্ৰী মাৰ্থা স্মিথৰ মৃত্যুত শিৱসাগৰ ই-মিডিয়া সংস্থাৰ সভাপতি জয় জ্যোতি গগৈ, যুটীয়া সম্পাদক প্ৰদীপ গগৈ, মুজ্জাকিৰ আহমেদসহ সদস্য তথা বিষয়ববীয়াসকলৰ উপৰিও গড়গাঁও কলেজৰ অধ্যক্ষ ডঃ সব্যসাচী মহন্ত, শিৱসাগৰ প্ৰেছ ক্লাবৰ ভাৰপ্ৰাপ্ত সম্পাদক হিমাংশু নেওগ, শিৱসাগৰ জিলা সাংবাদিক সংস্থা, শিৱসাগৰ ব্যাপ্টিষ্ট মিচন, নামতি প্ৰেছ ক্লাব, ডিমৌ প্ৰেছ ক্লাব, আছুৰ কাৰ্য্যনিবাহক সদস্য সমীৰণ ফুকন, বীৰ লাচিত সেনাৰ নেতা শৃংখল চলিহা, আটাছুৰ সভাপতি বসন্ত গগৈ, ছাত্ৰ নেতা চিতু বৰুৱা, পংকজ খাউণ্ড, অংকুৰণ ফুকন, দেৱজিত দত্ত, কল্যাণ পৰিষদৰ সভাপতি মণিৰুল ইছলাম বড়া, কোচ ৰাজবংশী ছাত্ৰ সন্থাৰ লগতে বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠানে শোক প্ৰকাশ কৰাৰ লগতে শোকসন্তপ্ত পৰিয়ালবৰ্গলৈ গভীৰ সমবেদনা জ্ঞাপন কৰিছে।

# ফণী শৰ্মাক লৈ হিমন্ত বিশ্ব-সৰ্বানন্দ শিবিৰৰ মাজত মনান্তৰ

## শাৰীৰিক অসুস্থতাৰ বাবে ঘূৰিছে গৃহৰাজ্যলৈ

**ই-সংবাদ, ডিব্ৰুগড়, ২২ ছেপ্টেম্বৰঃ** ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘৰ শক্তিশালী নেতা ফণী শৰ্মাক অসমলৈ ঘূৰি অহাক কেন্দ্ৰ কৰি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা আৰু প্ৰাক্তন মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালৰ শিবিৰৰ মাজত প্ৰচণ্ড বাক-বিতণ্ডাৰ সৃষ্টি হৈছে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ শিবিৰে ডিব্ৰুগড়ৰ একাংশ সংবাদসেৱীক জনোৱা মতে শাৰীৰিক অসুস্থতাৰ বাবে ফণী শৰ্মা অসমলৈ প্ৰত্যাৱৰ্তন কৰিছে। শৰ্মাৰ শৰীৰেদি প্ৰ'টিন নিষ্কাষণ হোৱাৰ বাবে তেওঁ অসুস্থ হৈ পৰিছে আৰু যাৰ বাবে গৃহৰাজ্যত তেওঁ সাংগঠনিক কাম-কাজ কৰাৰ বাবে আৰএছএছৰ শীৰ্ষ নেতৃত্বক সৈমান কৰাইছে। মুখ্যমন্ত্ৰীৰ ঘনিষ্ঠ সূত্ৰ মতে, হিমন্ত বিশ্ব শৰ্মাৰ লগত সম্প্ৰতি আৰএছএছৰ নেতা ফণী শৰ্মাৰ সম্পৰ্ক মধুৰ আৰু ফণী শৰ্মাৰ পৰামৰ্শৰলী মুখ্যমন্ত্ৰীয়ে অধিক তৎপৰতাৰে কাৰ্যকৰী কৰি আহিছে। যাৰবাবে শৰ্মাৰ বিৰুদ্ধে পূৰ্বৰ খং নাই আৰএছএছৰ নেতাজনৰ। ইফালে, সোণোৱালৰ শিবিৰে পুনৰ নিশ্চিত কৰিছে যে আৰএছএছৰ শীৰ্ষ নেতা মোহন ভাগৱতৰ লগত অতি ঘনিষ্ঠ ফণী শৰ্মাই ২০২৬ৰ নিৰ্বাচনক লক্ষ্য কৰি পুনৰ অসমলৈ আহিছে আৰু হিমন্ত বিশ্ব শৰ্মাৰ দৰে নেতাৰ হাতত বিজেপি সুৰক্ষিত নোহোৱা বিষয়টো আৰএছএছৰ শীৰ্ষ নেতৃত্বক সৈমান কৰাইছে। সৰ্বানন্দ সোণোৱালক পুনৰ মুখ্যমন্ত্ৰী হিচাপে প্ৰক্ষেপ কৰিলেহে বিজেপিয়ে ২০২৬ত চৰকাৰ গঠন কৰিব পাৰিব বুলি সোণোৱালৰ শিবিৰে ইতিমধ্যে আৰএছএছৰ নেতাসকলক আশ্বস্ত কৰাইছে। প্ৰসংগক্ৰমে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ শিবিৰে এই কথাও প্ৰচাৰ চলাইছে যে হিমন্ত বিশ্ব শৰ্মাক বাৰ বজাবলৈ অহা আৰএছএছ নেতা শৰ্মাৰ এতিয়া সংগোপনে মুখ্যমন্ত্ৰী শৰ্মাৰ সৈতে গঢ়ি উঠিছে মধুৰ সম্পৰ্ক। এই কথা জানিব পাৰি সোণোৱাল শিবিৰৰ মাজতো এতিয়া হাহাকাৰ আৰম্ভ হৈছে বুলিও বিজেপিৰ এটি ভিতৰুৱা সূত্ৰৰ পৰা জানিব পৰা গৈছে।



চীনত এগৰাকী মহিলাই পৰম্পৰাগতভাৱে শুকুৱাইছে জলকীয়া

# ছিদলী সমষ্টিৰ উপ নিৰ্বাচনত প্ৰাৰ্থিত্ব দিব বিপিএফে

**ই-সংবাদ, কাজলগাঁও, ২২ ছেপ্টেম্বৰঃ** বিটিচিৰ মুখ্য বিৰোধী দল বিপিএফে নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰাক লৈ কোনোধৰণৰ আপোচ নকৰে। বিপিএফে উপ-নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা নকৰে বুলি বিৰোধী দলে প্ৰচাৰ চলাই থকাৰ সময়তে আজি এই কথা স্পষ্ট কৰিছে দলটোৱে। উপ-নিৰ্বাচন অনুষ্ঠিত হ'বলগীয়া ছিদলী সমষ্টিত শক্তিশালী ৰূপত প্ৰতিদ্বন্দ্বিতা কৰিবলৈ সাজু হোৱা বুলি আজি বিপিএফ দল ঘোষণা কৰিছে। ছিদলী চিৰাং সমষ্টিৰ উপ নিৰ্বাচনত বিপিএফ দলে প্ৰাৰ্থিত্ব নকৰে বুলি ইউপিপিএল দলে অপপ্ৰচাৰ চলোৱাৰ অভিযোগ উত্থাপন কৰি বিপিএফৰ সম্পাদক আৰু মুখপাত্ৰ কামাল আজাদে কয় যে ছিদলী সমষ্টিত বিপিএফ দলে প্ৰতিদ্বন্দ্বিতা কৰিবই। ছিদলী চিৰাং সমষ্টিৰ উপ-নিৰ্বাচনত বিপিএফ দলে প্ৰাৰ্থিত্ব প্ৰদান নকৰে বুলি সামাজিক মাধ্যমত চৰ্চা চলি থকা সময়ত বিপিএফৰ সম্পাদক তথা মুখপাত্ৰ কামাল আজাদে প্ৰতিক্ৰিয়া প্ৰকাশ কৰি কয় যে এই অপপ্ৰচাৰ ইউপিপিএল দলে চলাইছে। নিৰ্বাচনী আয়োগে অধিসূচনা জাৰী কৰাৰ লগে লগে বিপিএফ দলে প্ৰাৰ্থী ঘোষণা কৰিব। আনহাতে, বিপিএফ-ইউপিপিএলৰ মিত্ৰতাৰ প্ৰসংগ উল্লেখ কৰি মুখপাত্ৰ কামাল আজাদে প্ৰমোদ বড়োক কটাক্ষ কৰি কয় যে এদিনৰ বাবেও ৰাজপাট এৰিবলৈ সাজু নহয় প্ৰমোদ বড়ো। এবছুৰ সভাপতি দ্বিপেন বড়োৰ আহ্বানৰ প্ৰতি সহাৰি জনাই বিপিএফ দলে দিয়া প্ৰধান চৰ্ত অনুযায়ী বিজেপিৰে মিত্ৰতা এৰি আহক ইউপিপিএলে। তাৰ পিছত বিপিএফৰে মিত্ৰতা সম্ভৱ হ'ব। কিন্তু সেয়া নকৰি ইউপিপিএলে বিপিএফৰ বিৰুদ্ধে অপপ্ৰচাৰ চলাইছে। আজিৰ তাৰিখত মিত্ৰতাৰ স্বাৰ্থত এদিনৰ বাবেও ৰাজপাট এৰিবলৈ সাজু নহয় প্ৰমোদ বড়ো।

# স্বাধীনতা দিৱসৰ বোমা স্থাপন কাণ্ড

# ৰাইজৰ দলৰ নেতাসহ ১৫জনক গ্ৰেপ্তাৰ কৰি সোধপোছ

**ই-সংবাদ, ২২ ছেপ্টেম্বৰঃ** বিগত স্বাধীনতা দিৱসৰ দিনটোত আলফা স্বাধীনে মেইল যোগে স্থান আৰু ফটো প্ৰকাশ কৰি বোমা স্থাপনৰ ঘোষণা কৰিছিল। সেই বোমাসমূহ কাৰিকৰী বিজুতিৰ বাবে বিস্ফোৰণ নঘটাত অসম আৰক্ষীক উদ্ধাৰৰ বাবে আহ্বান জনাইছিল। গুৱাহাটীৰ ৮ স্থানসহ মুঠ ২৫ স্থানত বোমা সংস্থাপনৰ কথা আলফা স্বাধীনে সংবাদ মাধ্যমত বিবৃতি দি প্ৰকাশ কৰিছিল। অসম আৰক্ষীয়ে প্ৰায় দুটা দিনৰ অন্তত প্ৰায়খিনি ঠাইত বোমাসমূহ উদ্ধাৰ কৰিছিল। বোমা সংস্থাপনত আলফা স্বাধীনত সহায় কৰা লোকক ধৰিবলৈ আৰক্ষীয়ে তদন্ত অব্যাহত ৰাখিছে। ইতিমধ্যে কেইবাগৰাকী লোকক গ্ৰেপ্তাৰ কৰিছে যদিও পুনৰ কেইবাগৰাকী লোকক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হৈছে। বিগত ২৪ ঘণ্টাত নিয়াই সৰ্বমুঠ ১৫ গৰাকী লোকক গ্ৰেপ্তাৰ কৰিছে। তদন্তকাৰী সংস্থা নিয়াৰ সহযোগত অসম আৰক্ষীয়ে শনিবাৰে নিশাৰে পৰা চলোৱা অভিযানত ৩ মহিলাসহ ১৫ গৰাকী লোকক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। অভিযানত যোৰহাটত দুজনক, লখিমপুৰত তিনিজনক, তিনিচুকীয়াত এজনক, শদিয়াত এজনক, ডিব্ৰুগড়ত তিনিজনক, গুৱাহাটীত দুজনক, নগাঁৱত এজনক, নলবাৰীত এজনক আৰু তামুলপুৰত এজনক গ্ৰেপ্তাৰ কৰে। ৰাইজৰ দলৰ প্ৰচাৰ সম্পাদকতক গ্ৰেপ্তাৰ কৰা বুলিও জানিব পৰা গৈছে।



মাকুম সমষ্টিত বিজেপিৰ যুৱ নেতা ত্ৰিদিব মৰাণৰ নেতৃত্বত চলিছে বিজেপিৰ সদস্যভৰ্তি অভিযান

# বিশিষ্ট সমাজকৰ্মী,অভিনেতা চবিন চৌধুৰীৰ মৃত্যু, শোকৰ ছাঁ

**ই-সংবাদ, ২২ ছেপ্টেম্বৰঃ** গুৱাহাটী সমীপৰ বিজয়নগৰ অঞ্চলৰ সৰপাৰা গাওত জন্ম গ্ৰহণ কৰা বিশিষ্ট নাট্য শিল্পী, সমাজকৰ্মী , অ ভিনেতা চবিন চৌধুৰীৰ যোৱা ১৯ ছেপ্টেম্বৰ দিনা ৭৪ বয়সত মৃত্যু হয় । চবিন চৌধুৰী ৮০ দশকৰ ভ্যাম্যমান থিয়েটাৰৰ লগত জৰিত বিশিষ্ট এজন অভিনেতা আছিল। ভ্যাম্যমান থিয়েটাৰৰ পৰিচালক অচ্যুত লহকৰ লগত ৩৫ খনৰো অধিক নাটক একেলগে অসমৰ ইমুৰৰ পৰা সিমূৰলৈ পৰিবেশন কৰিছিল। সেই সময়ত গুৱাহাটী জজ্‌ফিল্ডত মুকলিভাবে নাটক কৰিছিল । তেখেতে উপৰহালি গাওত বহু নাটকৰ জৰিয়তে মূল চৰিত্ৰত অভিনয় কৰি মানুহৰ মন জয় কৰিবলৈ সক্ষম হৈছিল। ইয়াৰ উপৰিও ,তেখেত সেই সময়ত অঞ্চল টোত লোকগীতৰ প্ৰচাৰৰ বাবে এটি দল সংগঠন খুলিছিল আৰু গীত বোৰ প্ৰচাৰ কৰিছিল। ৰাজনৈতিক ফালৰ পৰাও সৰপাৰা ১নং বাৰ্ডৰ সভাপতি দায়িত্ব লৈছিল। লগতে নিজগাওৰ চৌধুৰী পাৰাৰ নামঘৰৰ বহু বাৰ সভাপতি দায়িত্ব ভাৰ লৈছিল । তেখেতে ওচৰপাজৰৰ মানুহখিনিৰ বিপদ আপদ,বিয়া বাৰুত বহু সাহায্য দান কৰিছিল। কৰ্মৰাজি হিচাপে ২০২০ চনত এপ্ৰিল মাহত অসম বৈদ্যুতিক শক্তি বিভাগ, অসম বিজুলী ভৱনৰ পৰা অবসৰ গ্ৰহণ কৰে। এনে এজন প্ৰতিভাশালী লোকৰ মৃত্যুত অঞ্চলটোত গভীৰ শোকৰ ছা পৰে। শেষত তেও পৰিয়ালত পত্নী, দুজন পুএ,এজনী বোৱাৰী দুজনী ছোৱালী, জোৱাই , নাতিনী দুজনী এৰি থৈ যায়।

# আপ অসমৰ সভাপতিৰ পদ চমজি ল'লে মনোজ ধানোৱাৰে



**ই-সংবাদ, ২২ ছেপ্টেম্বৰঃ** দীৰ্ঘ জল্পনা-কল্পনাৰ অন্তত আম আদমী পাৰ্টীৰ অসম ৰাজ্যিক সমিতিৰ সভাপতি সলনি কৰিলে ৰাষ্ট্ৰীয় সমিতিয়ে। অসমত আপৰ সমিতি গঠনৰ পাছৰে পৰা পৰম্পৰাগতভাৱে ভবেন চৌধুৰী নামৰ চিকিৎসকজনে সভাপতিৰ আসনখন দখল কৰি থকাত একাংশ নেতা-কৰ্মী নাৰাজ হৈছিল বুলি খবৰ প্ৰকাশ পাইছিল। তাৰ পাছতে অসমৰ ৰাজ্যিক সমিতিখন ভংগ কৰি আহ্বায়ক নিযুক্তি দি পূৰ্ণাংগ সমিতিখন গঠন কৰিবলৈ যো-জা চলি থকাৰ সময়তে এদিন পূৰ্বে উজনিৰ চাহ জনগোষ্ঠিৰ নেতা মনেজা ধানোৱাৰাক সভাপতিৰ দায়িত্ব প্ৰদান কৰা হয়। লগতে প্ৰাক্তন সভাপতি ভবেন চৈধুৰীত ৰাষ্ট্ৰীয় যুটীয়া সম্পাদকৰ দায়িত্ব প্ৰদান কাৰ হয়। আজি মনোজ ধানোৱাৰে ভবেন চৌধুৰীৰ পৰা দায়িত্ব চমজি লয়। আজি দিনৰভাগত মনোজ ধানোৱাৰে গণেশগুৰিস্থিত ৰাজ্যিক মুখ্য কাৰ্যালয়ত উপস্থিত হোৱাত ঢোল-তাল-খোল বজাই আদৰণি জনায়। দলটোৰ নেতা-কৰ্মীসকলে ফুলৰ গামোচা পিন্ধাই ধানোৱাৰক আদৰণি জনায়। আনহাতে ভবেন চৌধুৰীয়ে আনুষ্ঠানিকভাবে ক্ষমতাৰ হাস্তান্তৰ কৰে। বিদায়ী ৰাজ্যিক সভাপতি তথা ৰাষ্ট্ৰীয় যুটীয়া সম্পাদক পদ লাভ কৰা ডাঃ ভবেন চৌধুৰীক দলীয় নেতা-কৰ্মীসকলে সম্বৰ্ধনা জ্ঞাপন কৰে। তাৰ লগে লগে কাৰ্যালয়ত অনুষ্ঠিত মুকলি সভাত মনোজ ধানোৱাৰে কেইবাটাও বিষয় স্পষ্ট কৰে। আগন্তুক পঞ্চায়ত নিৰ্বাচনত আম আদমী পাৰ্টিয়ে অকলে নিৰ্বাচন খেলাৰ ঘোষণা কৰে। মনোজ ধানোৱাৰে কয় যে পঞ্চায়ত নিৰ্বাচন আমাৰ বাবে কোৱাৰ্টাৰ ফাইনেল। পঞ্চায়ত নিৰ্বাচনত নেতা-কৰ্মীসকল সাজু হোৱা উচিত। নৱ নিযুক্ত সভাপতি ধানোৱাৰে পুৰণি কৰ্মীসকলক দলৰ মজিয়াত সক্ৰিয় হ'বলৈ আহ্বান জনাই কয় যে আপে কেৱল উন্নয়নৰ ৰাজনীতি কৰে। আজি অসমৰ চৰকাৰী স্কুলৰ অৱস্থা শোচনীয়। আমাৰ লক্ষ্য হ'ব চৰকাৰী স্কুলৰ অৱস্থা উন্নত কৰা। অসমত দিল্লী আৰু পঞ্জাৱ চৰকাৰৰ আৰ্হিত বিশ্ব মানৰ চৰকাৰী স্কুল স্থাপন কৰা। আজিৰ অনুষ্ঠানত আপ নেতা ৰাজীৱ শইকীয়া, মামুন ইমদাদুল হক চৌধুৰী, অনুৰূপা ডেকাৰজা, পুনম গগৈ আৰু বীৰেন মিৰ্ধা, গুৱাহাটী পৌৰ নিগমৰ আপৰ ৱাৰ্ড মেম্বাৰ মাছুমা বেগম উপস্থিত থাকে।



প্ৰদেশ কংগ্ৰেছৰ সাধাৰণ জাতি বিকাশ বিভাগৰ ৰাজ্যিক কাৰ্যনিৰ্বাহক সভা

## মৰিগাঁৱত দুই পলাতক বাংলাদেশী আটক

**ই-সংবাদ, মৰিগাঁও, ২২ ছেপ্টেম্বৰঃ** মৰিগাঁও জিলাৰ মিকিৰভেটা আৰক্ষী থানাৰ অন্তৰ্গত বৰচিলা গাঁৱৰ পৰা যোৱা নিশা আৰক্ষীয়ে নুৰুল হক আৰু হুছেইন আলি নামৰ দুজন বাংলাদেশীক আটক কৰে। উল্লেখ্য যে মৰিগাঁও বিদেশী ন্যায়ধীশকৰণে চিনাক্ত কৰা এই বাংলাদেশী লোক দুজন ২০২০ চনৰ পৰা পলাতক অৱস্থাত আছিল। যোৱা নিশা মৰিগাঁও জিলাৰ সীমান্ত শাখাৰ আৰক্ষী বাহিনীয়ে এক গোপন অভিযান চলাই এই দুই অবৈধ অনুপ্ৰৱেশকাৰী বাংলাদেশীক গ্ৰেপ্তাৰ কৰিবলৈ সক্ষম হয়। ধৃত বাংলাদেশী নুৰুল হক আৰু হুছেইন আলীক আজি মৰিগাঁৱৰ সীমান্ত আৰক্ষীয়ে গোৱালপাৰাৰ ডিটেইনচন কেম্পলৈ প্ৰেৰণ কৰা বুলি জানিব পৰা গৈছে।

### চৰাইদেউ কাণ্ডৰ পৰা শিক্ষা নল’লে একাংশ সাংবাদিকে

# মানৱদৰদী চিকিৎসকক মানসিক হাৰাশাস্তিৰ অভিযোগ

**ই-সংবাদ, চাবুৱা, ২২ ছেপ্টেম্বৰঃ** চৰাইদেউ জিলাত বিজেপি নেতাই সাংবাদিকৰ মানসিক আতিশয্যত আত্মহত্যা কৰা বুলি ছুইচাইট নোটত উল্লেখ কৰা ঘটনাৰ চাঞ্চল্য মাৰ নৌযাওতেই ৰাজ্যৰ এগৰাকী জ্যেষ্ঠ চিকিৎসকক সাংবাদিকে মানসিক আতিশয্য চলোৱাৰ গুৰুতৰ অভিযোগ উত্থাপন হৈছে। আগৰ ঘটনাৰ দৰেই ঘটনাৰ স্থান উজনি অসমেই। এইবাৰ উজনিৰ ডিব্ৰুগড় জিলাৰ লাহোৱালৰ এগৰাকী মানৱদৰদী চিকিৎসকক মানসিকভাৱে হাৰাশাস্তি তথা ব্যতিব্যস্ত কৰাৰ অভিযোগ উঠিছে। সাংবাদিকে নিজেই অভদ্ৰামী কৰি কিছু দৃশ্য ৰেকৰ্ড কৰি সংবাদমাধ্যমত প্ৰচাৰ কৰাৰ অভিযোগ উত্থাপন কৰি জ্যেষ্ঠ চিকিৎসকে এজাহাৰ দাখিল কৰাৰ ঘটনাই সমগ্ৰ ডিব্ৰুগড় জিলাত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। জানিব পৰা মতে, ডিব্ৰুগড় জিলাৰ লাহোৱাল ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰৰ ভাৰপ্ৰাপ্ত চিকিৎসক ডা০ মুনীন্দ্ৰ নাথ পাঠকে ইতিমধ্যে ডিব্ৰুগড় জিলাৰ আৰক্ষী অধীক্ষকক এজাহাৰ দাখিল কৰিছে। এজাহাৰত ডা০ মুনীন্দ্ৰ নাথ পাঠকে উল্লেখ কৰা মতে, তেওঁ লাহোৱাল ক্ষুদ্ৰ প্ৰাথমিক স্বাস্থ্য কেন্দ্ৰত কৰ্মৰত হৈ জনগণৰ পাৰ্যমানে সেৱা কৰি আহিছে। কিন্তু ১৭ ছেপ্টেম্বৰত সাংবাদিক বুলি পৰিচয় দিয়া কংকনজ্যোতি গোহাঁই নামৰ লোকজনে বিনা অনুমতিত চেম্বাৰত প্ৰৱেশ কৰে। পাছত স্থানীয় সাংবাদিক বুলি পৰিচয় দিয়া কংকনজ্যোতি গোহাঁই সুৰাসক্ত অৱস্থাত আছিল আৰু চেম্বাৰত সোমায়ে ভিডিঅ’ ৰেকৰ্ড কৰিবলৈ ধৰে। কেৱল চেম্বাৰেই নহয় বিনা অনুমতিত চৰকাৰী হাস্পতালৰ ৱাৰ্ডৰ দৃশ্য ৰেকৰ্ড কৰে। বাৰে বাৰে চিকিৎসগৰাকীয়ে মদ্যপান কৰাৰ অভিযোগ অনাৰ লগতে পিন্ধি থকা কাপোৰক লৈ আপত্তি দৰ্শাই প্ৰশ্ন কৰিবলৈ ধৰে। চাকৰিৰ পৰা বৰ্খাস্ত কৰাৰ ধমক দিয়ে। ডা০ মুনীন্দ্ৰ নাথ পাঠকে তেনে নকৰিবলৈ বাধা প্ৰদান কৰাত অশ্লীল শব্দ প্ৰয়োগ কৰি দুৰ্ব্যৱহাৰ কৰে। সেই দৃশ্যসমূহ ১৮ ছেপ্টেম্বৰত সামাজিক মাধ্যমত থকা কেইটামান সংবাদ প্ৰতিষ্ঠানৰ পেজত প্ৰচাৰ কৰা হয়। লগতে সাংবাদিক বুলি পৰিচয় দিয়া লোকজনে নাৰ্চকো অপশব্দ ব্যৱহাৰ কৰাৰ অভিযোগ আনিছে চিকিৎসকগৰাকীয়ে। চিকিৎসকগৰাকীয়ে জিলা আৰক্ষী অধীক্ষকক এজাহাৰ দাখিল কৰি মদ্যপান কৰা অৱস্থাত কৰ্তব্য পালন কৰাৰ অভিযোগ খণ্ডন কৰে। লগতে তেওঁ কয় যে মোক ব্যক্তিগত চেম্বাৰৰ দৃশ্য ৰাজহুৱা কৰি সামাজিকভাৱে হেয় প্ৰতিপন্ন কৰি মানসিক নিৰ্যাতন চলোৱা হৈছে। চিকিৎসগৰাকীয়ে দৃশ্যসমূহ প্ৰচাৰ কৰাত সমাজত আৰু নিজ সহযোগীসকলৰ ওচৰত অপমানিত হোৱা বুলিও আক্ষেপ কৰে। পৰিয়ালৰো লোকো মানসিক যাতনা ভূগিবলগীয়া হৈছে বুলি কয়। কংকনজ্যোতি গোহাঁয়ে স্বাস্থ্য বিভাগৰ উচ্চপদস্থ বিষয়াক অভিযোগ দি চাকৰিৰ পৰা নিলম্বন কৰাৰো ধমকি দিছিল। কংকনজ্যোতি গোহাঁই প্ৰায়ে হাস্পতালখনৰ বিৰুদ্ধে সামাজিক মাধ্যমত অপপ্ৰচাৰ চলাই আহিছে। মানিসভাৱে ভাগি পৰা চিকিৎসক ডা০ মুনীন্দ্ৰ নাথ পাঠকে আৰক্ষী সঞ্চালক প্ৰধান, ডিব্ৰুগড়ৰ জিলা আয়ুক্ত, যুটীয়া স্বাস্থ্য সঞ্চালক আৰু লাহোৱাল আৰক্ষী থানাকো এজাহাৰৰ কপি প্ৰদান কৰিছে। চৰাইদেউ জিলাত বিজেপি নেতাৰ সৈতে সংঘটিত ঘটনাৰ পৰা শিক্ষা ন’ললে নেকি একাংশ সাংবাদিকে?

• ইউনিক বৰা ফটোগ্ৰাফী ইনষ্টিটিউট •
• অসমীয়া মাধ্যমত শিকক ফটোগ্ৰাফী আৰু ইডিটিংৰ প্ৰতিটো কথা •
• গুৱাহাটীত অৱস্থিত উন্নত মানদণ্ডৰ ষ্টুডিঅ'ত শিক্ষা গ্ৰহণৰ সুবিধা •
• আসন সীমিত, শীঘ্ৰেই যোগাযোগ কৰক •
UniqueBorah.Com
88764 90887
নামভৰ্তিৰ বাবে ওপৰৰ নংত যোগাযোগ কৰক।

শেষ পৃষ্ঠা

# বাংলাদেশৰ বিৰুদ্ধে টীম ইণ্ডিয়াৰ দৰ্শনীয় জয়



**ই-সংবাদ, ২২ ছেপ্টেম্বৰঃ** চেন্নাইৰ এম এ চিদম্বৰম ষ্টেডিয়ামত উজলি উঠিল টীম ইণ্ডিয়া। বাংলাদেশৰ বিৰুদ্ধে ৰোমাঞ্চকৰ প্ৰথমখন টেষ্টত জয়লাভ কৰিছে ঘৰুৱা দলটোৱে। দেওবাৰে মেচৰ চতুৰ্থ দিনৰ প্ৰথম অৰ্দ্ধতে ২৮০ ৰানৰ বিশাল ব্যৱধানত জয়ী হয় টীম ইণ্ডিয়া। শনিবাৰে ভাৰতে বান্ধি দিয়া ৫১৫ ৰানৰ বিজয়লক্ষ্য আগতলৈ খেল আৰম্ভ কৰা আলহী দলটোৱে দেওবাৰে দ্বিতীয় ইনিংছৰ প্ৰথমাৰ্দ্ধতে আটাইকেটা উইকেট হেৰুৱাই ২৩৪ ৰান কৰি পৰাজয়বৰণ কৰে। বাংলাদেশৰ উইকেট পতনৰ মূলতে স্পীন যুটি ৰবিচন্দ্ৰণ অশ্বিন আৰু ৰবীন্দ্ৰ জাডেজাৰ স্পীন ঘূৰ্ণী। এই যুটিৰ ছুনামীত বাংলাদেশৰ সকলো উইকেট তচনচ হৈ যায়। দ্বিতীয় ইনিংছত অশ্বিনে ৬টা আৰু জাডেজাই ৩টা দখল কৰে। একমাত্ৰ উইকেটটো দখল কৰে বেগী বলাৰ বুমৰাহে। ইয়াৰ আগেয়ে ভাৰতে দ্বিতীয় ইনিংছত শুভমন গীল আৰু ঋষভ পণ্টৰ শতকৰ সহায়ত ২৮৭ ৰান সংগ্ৰহ কৰিছিল। এইখিনিতে উল্লেখ কৰা প্ৰয়োজন যে প্ৰথম ইনিংছত ভাৰতৰ বাকীসকল বেটাৰ ব্যৰ্থ হ'লেও অশ্বিন আৰু জাডেজাৰ নিৰ্ণায়ক বেটিঙৰ সহায়ত ৩৭৬ ৰান সংগ্ৰহ কৰিছিল। অশ্বিনে ১১৩ ৰান কৰাৰ বিপৰীতে জাডেজাই ৮৬ ৰান কৰি দলৰ স্থিতি মজবুত কৰিছিল। ইফালে আলহী দলটোৱে প্ৰথম ইনিংছত কৰিছিল মাত্ৰ ১৪৯ ৰান।

# মৰিগাঁও জিলা জমিয়তৰ নিৰ্বাচনী সাধাৰণ সভা সম্পন্ন

**ই-সংবাদ, ২২ ছেপ্টেম্বৰঃ** আজি জামিয়া ইছলামীয়া দাৰুল উলুম মৈৰাবাৰী মাদ্ৰাছা প্ৰাংগনত মুফতি মতলুবুৰ ৰহমানৰ সভাপতিত্বত মৰিগাঁও জিলা জমিয়তৰ নিৰ্বাচনী সাধাৰণ সভা সফলতাৰে অনুষ্ঠিত হৈ যায়।সভাৰ উদ্দেশ্য ব্যাখ্যা কৰে মৰিগাঁও মৰিগাঁও জিলা জমিয়তৰ সাধাৰণ সম্পাদক শ্বৰিফুল ইছলামে। বিগত দুই বছৰত বিভিন্ন স্তৰৰ জ্ঞাত অজ্ঞাত জমিয়ত কৰ্মীৰ মৃত্যুত আজিৰ সভাই গভীৰ শোক প্ৰকাশ কৰি শোক প্ৰস্তাৱ গ্ৰহণ কৰে।শোক প্ৰস্তাৱ পাঠ কৰি শুনায় জামিয়া ইছলামীয়া দাৰুল উলুম মৈৰাবাৰী মাদ্ৰাছাৰ সভাপতি ৰফিকুল হোছেইনে। সম্পাদকীয় প্ৰতিবেদন পাঠ কৰে জিলা জমিয়তৰ সাধাৰণ সম্পাদক শ্বৰিফুল ইছলামে। বিগত কাৰ্যকালৰ হিচাপ পৰীক্ষাৰ প্ৰতিবেদন পাঠ কৰে অৱসৰপ্ৰাপ্ত অধ্যক্ষ ৰহমত আলীয়ে।সময়ছোৱাৰ একাষাৰত বিধায়ক আছিফ নাজাৰ, মৰিগাঁও জিলা জমিয়তৰ সম্পাদক জহিৰুল ইছলাম মুক্তাৰ,জমিয়ত কৰ্মী আব্দুল কাদিৰে বক্তব্য আগবঢ়ায়। সভাখনত পৰ্যবেক্ষক হিচাপে উপস্থিত থাকি নিজস্ব বক্তব্যৰ মাজেৰে জমিয়ত কৰ্মী সকলক উৎসাহিত কৰে। মুফতি মতলুবুৰ ৰহমানক সভাপতি আৰু শ্বৰীফুল ইছলামক সাধাৰণ সম্পাদক হিচাপে লৈ মৰিগাঁও জিলা পুৰ্ণাংগ কাৰ্যকৰী কমিটি গঠন কৰা হয়। সভাখনত সকলোকে অসামাজিক কাৰ্যৰ বিৰুদ্ধে মাৰবান্ধি থিয় হোৱাৰ আহ্বান কৰাৰ লগতে সমাজ সংস্কাৰ অভিযান তীব্ৰতৰ কৰি তুলিবলৈ কৰা হয়।

# লংকাৰ ওম প্ৰকাশ প্ৰমীলা দেৱী স্মাৰক দাতব্য ট্ৰাষ্টৰ বঁটা প্ৰদান অনুষ্ঠান

**ই-সংবাদ, ২২ ছেপ্টেম্বৰঃ** অইন বছৰবোৰৰ দৰেই এইবাৰো লংকাৰ এটি অগ্ৰণী স্বেচ্ছাসেৱী সংগঠন ওম প্ৰকাশ প্ৰমীলা দেৱী স্মাৰক দাতব্য ট্ৰাষ্টে THE LATE OMPRAKASH AGARWALLA MEMORIAL EXCELLENCE AWARD আৰু LATE PRAMILA DEVI AGARWALLA MEMORIAL EXCELLENCE AWARD প্ৰদান কৰে । হোজাই জিলাত মেট্ৰিক পৰীক্ষাত সৰ্বোচ্চ নম্বৰ পোৱা পুৰুষ আৰু মহিলা ছাত্ৰক প্ৰদান কৰা হয় এই বটাঁ। এই বঁটাসমূহ থাকে ১১,০০০ টকা ( এঘাৰ হাজাৰ টকা)কৈ আৰু মেমেণ্টো আৰু আন কিছুমান উপহাৰ দি মেধাৱী ছাত্ৰ-ছাত্ৰীসকলক প্ৰেৰণা যোগোৱা হয়। এই বঁটাসমূহৰ আঁৰৰ ধাৰণাটো হৈছে হোজাই জিলাৰ মেধাৱী ছাত্ৰ-ছাত্ৰীসকলক উৎসাহিত আৰু অনুপ্ৰাণিত কৰা যিয়ে উপযুক্ত স্বীকৃতি খুব কমেইহে পায় । কাৰণ অনুভৱ কৰা হয় যে সকলো মনোযোগ আৰু লাইমলাইট ৰাজ্যিক পৰ্য্যায়ৰ টপাৰসকলক দিয়া হয়। এইবাৰ "প্ৰয়াত ওমপ্ৰকাশ আগৰৱালা স্মৃতিশক্তি বঁটা হোজাইৰ আব্দুল হাছিব উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ছাত্ৰ হাফিজুৰ ৰহমান আকন্দ আৰু প্ৰয়াত প্ৰামীলা দেৱী আগৰৱালা স্মৃতিশক্তি বঁটা প্ৰদান কৰা হয় হোজাইৰ জেনিথ ছিনিয়ৰ ছেকেণ্ডাৰী স্কুলৰ ছাত্ৰী মিছ ময়ুৰী দত্তক । প্ৰয়াত ওমপ্ৰকাশ আগৰৱালা আৰু তেওঁৰ পত্নীৰ স্মৃতিত এই বঁটা প্ৰদান কৰা হৈছে। প্ৰয়াত প্ৰমীলা দেৱী আগৰৱালা আৰু তেওঁলোকৰ বিশ্বাস যে যুৱক-যুৱতীসকলৰ পৃথিৱীখনক ভাল দিশলৈ সলনি কৰাৰ শক্তি আছে। তেওঁলোকৰ স্মৃতিত প্ৰতিষ্ঠিত আমাৰ আস্থাই ব্যৱহাৰিক সামাজিক কাৰ্য্যৰ জৰিয়তে যুৱক-যুৱতীসকলৰ জীৱনত ইতিবাচক পৰিৱৰ্তনক লালন-পালন, প্ৰেৰণা আৰু বিকাশৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ।



এইবোৰৰ উপৰিও স্থানীয় ক্ৰীড়াবিদ, শিল্পী, সমাজকৰ্মী আৰু অন্যান্য শ্ৰেণীৰ প্ৰতিভাৱান লোকক সম্বৰ্ধনা আৰু আৰ্থিক সাহায্য আদি প্ৰদান কৰি এই ট্ৰাষ্টে সহায় কৰি আহিছে।এই অনুষ্ঠানতে কেইবাজন সফল ব্যক্তিক সম্বৰ্ধনা জনোৱা হয়। তেওঁলোক হৈছে হোজাইৰ কলা-সংস্কৃতিত আগবঢ়োৱা অৱদানৰ বাবে বকুল বৰা, চিত্ৰকলাৰ বাবে সিশিৰ কুমাৰ মালাকাৰ, ক্ৰীড়াৰ বাবে মিছ জুনাকি ৰংপিপি, সামাজিক কামৰ বাবে জয়ন্ত চৌধুৰী, হোজাই বাপপ্পী পালৰ পিতৃ-মাতৃ, জনাৰ্দন মহন্ত,সংগীতৰ বাবে কাকী,ৰবি বৰকাকতি, শংকৰদেৱ নগৰ, মহিলা উদ্যোগী জুথিকা দেৱ, লামডিং, সমাজকৰ্মী আনিশা আখতাৰ আহমেদ,যমুনামুখ, ক্ৰীড়া জুবিন চুলতানা, উদালী, ক্ৰীড়া আদি শিতানত সম্বৰ্ধনা জনোৱা হয়। উল্লেখ যোগ্য যে শনিবাৰে বিয়লি লংকাৰ লংকেশ্বৰী নাট্য মন্দিৰৰ প্ৰেক্ষাগৃহত এক মুকলি অনুষ্ঠানত বটাঁসমুহ প্ৰদান কৰা হয়। অসমৰ পৰা দুবাৰৰ অলিম্পিয়ান তৃতীয় ৰেংক হোল্ডাৰ শিৱ থাপা সন্মানীয় অতিথি উপস্থিত থকাৰ লগতে লামডিংৰ বিধায়ক শিবু মিশ্ৰকে ধৰি ভালেমান অতিথি এই অনুষ্ঠানত উপস্থিত থাকে। এই কাৰ্যসূচীত স্বেচ্ছাসেৱী সংগঠনটিৰ চেয়াৰমেন তথা মেনেজিং ট্ৰাষ্টী ৰোহিত আগৰৱালা আৰু সহধৰ্মিনী উপস্থিত থাকি বটাঁসমুহ হাতত তুলি দিয়ে।

newsnextone.comৰ হৈ গুৱাহাটীৰ পৰা অনলাইনযোগে ছফি জামালৰ দ্বাৰা প্ৰকাশিত, ই-মেইলঃ newsnextne@gmail.com,
যোগাযোগ/হোৱাটছএপ নম্বৰঃ ৯৩৬৫২২৫২৪৮, কাৰ্যালয়ঃ জ্যোতিনগৰ, বামুণীমৈদাম (বা-বাতৰিৰ বাবে বাৰ্তা সম্পাদক দায়বদ্ধ)
সম্পাদকঃ বিজি গগৈ (অবৈতনিক)